# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-05-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

১। উন্নত ভাৰত নিৰ্মাণৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন অতি প্ৰয়োজনীয় বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্য।

২। ৰাজ্যত চলিত বৰ্ষত বান ৰোধৰ বাবে ২৫০ কিলোমিটাৰ মথাউৰি নিৰ্মাণ কৰা হৈছে বুলি জলসম্পদ মন্ত্ৰী পিযুছ হাজৰিকাৰ প্ৰকাশ।

৩। পদ্মশ্ৰী মামাং দাইলৈ অসম সাহিত্য সভাৰ ২০২৫ বৰ্ষৰ সাহিত্য সূৰ্য লুম্বেৰ দাই সোঁৱৰণী বঁটা।

৪। অপাৰেচন সিন্দূৰৰ সফলতা আৰু দেশৰ সৈনিকসকলৰ বীৰগাথা প্ৰচাৰৰ আকাশবাণীৰ শৃংখলাত আজি **দৰং জিলাৰ গভৰা দলংঘাট গাঁৱৰ ডিম্বেশ্বৰ ভট্ট**ৰ অভিমত। ***অ/ৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু-ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০

উন্নত ভাৰত গঢ়াৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন অতি প্ৰয়োজনীয়। নতুন দিল্লীত আজি ৰাইজিং নৰ্থ-ইষ্ট বিনিয়োগকাৰী সন্মিলন মুকলি কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কথা প্ৰকাশ কৰে। শ্ৰী মোদীয়ে বিনিয়োগকাৰীসকলক উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন খণ্ডত বিনিয়োগৰ বাবে আহ্বান জনাই কয়, যে বৰ্তমান উত্তৰ-পূৰ্বাঞ্চল সুযোগৰ ভূমি হৈ পৰিছে। উত্তৰ-পূৰ্বাঞ্চলক তেওঁ শক্তি আৰু ছেমিকণ্ডাক্টৰৰ মূল ছাবিকাঠি বুলিও উল্লেখ কৰে। উত্তৰ-পূৰ্বাঞ্চলক বৈচিত্ৰময় অঞ্চল হিচাপে আলোকপাত কৰি প্ৰধানমন্ত্ৰী  মোদীয়ে এই বিচিত্ৰতাই ভাৰতৰ প্ৰধান শক্তি বুলি মত প্ৰকাশ কৰে।

**বাইট**

প্ৰধানমন্ত্ৰী মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলক পৰ্যটনৰ ৰম্যভূমি বুলি উল্লেখ কৰি কয়, যে এই অঞ্চল আন্তৰ্ৰাষ্ট্ৰীয় সন্মিলন, সংগীত সন্মিলন তথা আকৰ্ষণীয় বিবাহৰ স্থান হিচাপে পৰিগণিত হোৱাৰ থল আছে। তেঁও লগতে উত্তৰ পূৰ্বাঞ্চল জৈৱ অৰ্থনীতি, বাহ উদ্যোগ, চাহ, পেট্ৰোলিয়াম, ক্ৰীড়া আৰু দক্ষতাৰ উপৰি পৰিৱেশ পৰ্যটনৰ কেন্দ্ৰ হিচাপেও বিকশিত হৈ উঠিছে বুলি মন্তব্য কৰে।  শ্ৰীমোদীয়ে এই খণ্ডৰ পুৰ্বৰ প্ৰত্যাহ্বানসমূহৰ কথা উল্লেখ কৰি কয়, যে বৰ্তমান উত্তৰ পূৰ্বাঞ্চলৰ সুযোগৰ ভূমি হিচাপে পৰিগণিত হৈছে। অসমৰ ভূপেন হাজৰিকা সেঁতু আৰু অৰুণাচল প্ৰদেশৰ চেলা সুৰংগৰ দৰে প্ৰকল্পসমূহত হাজাৰ হাজাৰ কোটি টকা বিনিয়োগ কৰি এই খণ্ডত যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ প্ৰয়াস কৰা হৈছে বুলিও প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে ভাৰত মণ্ডপমত শেহতীয়াকৈ অনুষ্ঠিত হোৱা অষ্টলক্ষ্মী মহোৎসৱক সুঁৱৰি কয়, যে আজিৰ অনুষ্ঠানটোৱে উত্তৰ পূৰ্বাঞ্চলত বিনিয়োগক উদ্যাপন কৰিছে।

এই সন্মিলনত অংশগ্ৰহণ কৰি উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কয়, যে চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা উন্নয়নৰ বাবে কাম কৰি আহিছে। তেওঁ কয়, যে দুহেজাৰতকৈও অধিক বিমান চলাচলেৰে বৰ্তমান এই খণ্ডত ১৭ টা বিমান বন্দৰ আছে। তেওঁ উত্তৰ-পূৰ্বাঞ্চল দক্ষিণ-পূব এছিয়াৰ আন্তৰ্জাতিক কৰিড'ৰ হৈ পৰিব বুলিও আশা প্ৰকাশ কৰে।

০০০০০

ৰাজ্যত চলিত বৰ্ষত বান ৰোধ কৰাৰ বাবে ২৫০ কিলোমিটাৰ মথাউৰি নিৰ্মাণ কৰা হৈছে। জলসম্পদ বিভাগ আৰু আই আই টি গুৱাহাটীৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হোৱা এটা অনুষ্ঠানত ভাগ লৈ জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই কালি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে মথাউৰিসমূহ যাতে বাৰিষাৰ বানে ছিগিব নোৱাৰে তাৰ বাবে অত্যাধুনিক পদক্ষেপ গ্ৰহণ কৰা হৈছে আৰু নিৰ্মাণ কৰা মথাউৰিসমূহৰ নিম্নভাগত এটাকৈ জিঅ' মেগা টিউব বহুওৱা হৈছে। বানে মেগা টিউবৰ ওপৰত থকা মাটিৰ কিছু অংশ খহাই নিলেও এই মেগা টিউবে মথাউৰি ছিগি যোৱাৰ পৰা ৰোধ কৰিব পাৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। যোৱা চাৰিটা বৰ্ষত জলসম্পদ বিভাগে বান প্ৰতিৰোধৰ বাবে যথেষ্ট কাম কৰিছে বুলি উল্লেখ কৰি শ্ৰীহাজৰিকাই কয়, যে ইয়াৰ ফলত এতিয়া ধেমাজি, লখিমপুৰ, মৰিগাঁও, মাজুলী, নলবাৰীকে ধৰি বিটিআৰ আৰু বৰাক উপত্যকাৰ জিলাসমূহত বানে বিশেষ ক্ষতি কৰিব পৰা নাই। তেওঁ কয়, যে সমগ্ৰ ৰাজ্যতে বান প্ৰতিৰোধৰ ক্ষেত্ৰত ৬০ৰ পৰা ৭০ শতাংশ কাম সম্পূৰ্ণ কৰা হৈছে আৰু অনাগত সময়ত ৰাজ্যখনৰ ৪ হাজাৰ ৫০০ কিলোমিটাৰ মথাউৰিৰ কাষে কাষে একোটাকৈ জিঅ' মেগা টিউব স্থাপন কৰি মথাউৰিসমূহ সম্পূৰ্ণৰূপে সুৰক্ষিত কৰি তোলা হ'ব।

০০০০০

অসম সাহিত্য সভাই পদ্মশ্ৰী মামাং দাইলৈ ২০২৫ বৰ্ষৰ সাহিত্য সূৰ্য লুম্বেৰ দাই সোঁৱৰণী বঁটা আগবঢ়াইছে। অহা এক জুনত অৰুণাচল প্ৰদেশৰ পাচিঘাটৰ গান্ধী ছেকেণ্ডাৰী স্কুল তিনি আলিত আয়োজন কৰা সাহিত্যসূৰ্য লুম্বেৰ দাই ৮৫ সংখ্যক জন্ম দিৱসৰ সৈতে সংগতি ৰাখি এই বঁটা প্ৰদান কৰা হ'ব। অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে পদ্মশ্ৰী মামাং দাইক এই বঁটা প্ৰদান কৰিব। উল্লেখযোগ্য যে মামাং দাই অৰুণাচল প্ৰদেশৰ ইটানগৰ নিবাসী এগৰাকী কবি, ঔপন্যাসিক তথা সাংবাদিক। তেওঁ **দ্যা ব্লেক হিল** নামৰ উপন্যাসখনৰ বাবে ২০১৭ চনত সাহিত্য একাডেমী বঁটা লাভ কৰিছিল। পদ্মশ্ৰী মামাং দাইক এই বঁটা প্ৰদানেৰে অসম সাহিত্য সভাই অসম আৰু অৰুণাচল প্ৰদেশৰ ভাতৃত্ববোধৰ সম্পৰ্ক অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

০০০০০

অসমীয়া শিশু সাহিত্যৰ চৰ্চা, সৃষ্টি আৰু উত্তৰণৰ উদ্দেশ্যে গঠন হোৱা কিৰণ তামুলী শিশু সাহিত্য ন্যাসে চতুৰ্থবাৰৰ বাবে কিৰণ তামুলী শিশু সাহিত্য বঁটাৰ বাবে লেখক, প্ৰকাশক আৰু চিত্ৰশিল্পীৰ পৰা শিশু গ্ৰন্থৰ আহ্বান কৰিছে। এই বঁটাৰ বাবে ২০২০ ৰ পৰা ২০২৪ চনৰ ভিতৰত প্ৰকাশিত গ্ৰন্থ গ্ৰহণ কৰা হ'ব। আগ্ৰহীসকলে ইয়াৰ বাবে নিজৰ গ্ৰন্থৰ দুটাকৈ কপি, মৌচাক, ডেকাগাওঁ, যোৰহাট-৭৮৫০০৬ ঠিকনাত ৩০ আগষ্টৰ ভিতৰত পোৱাকৈ প্ৰেৰণ কৰিব লাগিব। চলিত বৰ্ষৰ ৯ অক্টোবৰত বঁটাসমূহৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সেনা বাহিনীয়ে লাভ কৰা সফলতাৰ পটভূমিত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয়

লোকৰ মতামত প্ৰচাৰৰ শৃংখলাত আজি আমি লগ পাওঁ আহক **দৰং জিলাৰ গভৰা দলংঘাট গাঁৱৰ ডিম্বেশ্বৰ ভট্টক।** ১৯৬৯ চনত সেনাবাহিনীত যোগদান কৰা শ্ৰীভট্টই সেনাৰ এয়াৰ ডিফেন্স ৰেজিমেণ্টৰ ৰাডাৰ অপাৰেটৰ হিচাপে কাম কৰিছিল আৰু চুবেদাৰ মেজৰ হিচাপে ২০০০ চনত অৱসৰ গ্ৰহণ কৰিছিল। ২০২৩ চনত তেওঁক **৭১ ৰ বীৰ যোদ্ধা** সন্মানেৰে সন্মানিত কৰা হৈছিল। এই যুদ্ধৰ সময়ছোৱাত নিজৰ অভিজ্ঞতা আৰু অপাৰেশ্বন সিন্দূৰ সন্দৰ্ভত ডিম্বেশ্বৰ ভট্টই আমাৰ মঙলদৈৰ সংবাদদাতা ময়ুখ গোস্বামীৰ আগত এই মত ব্যক্ত কৰে। –

**(বাইট)**

ooooo

আজি বিশ্ব কাছ দিৱস। ২০০০ চনৰ পৰা প্ৰতি বছৰে ২৩ মে'ত বিশ্বজুৰি কাছ দিৱস পালন কৰি অহা হৈছে। কাছৰ সংৰক্ষণ আৰু সুৰক্ষা সন্দৰ্ভত মানুহৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াসেই এই দিৱসৰ মূল উদ্দেশ্য। বিশ্বনাথ জিলাৰ নাগশংকৰ দেৱালয় চৌহদত আজি বিশ্ব কাছ দিৱস উদযাপন কৰা হয়। উল্লেখযোগ্য যে, এই দেৱালয়ৰ বৃহৎ পুখুৰীত ১১ টা প্ৰজাতিৰ কাছ আছে। বন বিভাগ, টি এছ এ ইণ্ডিয়া আৰু নাগশংকৰ মন্দিৰ পৰিচালনা সমিতিৰ উদ্যোগত আৰু আৰণ্যক তথা WWFৰ সহযোগত অনুষ্ঠিত এই অনুষ্ঠানত নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক ড০ সোণালী ঘোষ আৰু বন বিভাগৰ উচ্চ পদস্থ বিষয়াসকলে কাছ সংৰক্ষণৰ বিষয়ত বক্তব্য প্ৰদান কৰে।

উল্লেখযোগ্য যে, বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত প্ৰায় ১৭ টা প্ৰজাতিৰ কাছ পোৱা যায়। এই কাছসমূহে পৰিৱেশতন্ত্ৰৰ ভাৰসাম্য বজাই ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

কাছৰ প্ৰজনন আৰু সংৰক্ষণৰ ক্ষেত্ৰত দীৰ্ঘদিন ধৰি কাম কৰি অহা হাজোৰ প্ৰণৱ মালাকাৰ নামৰ ব্যক্তিগৰাকীৰ ব্যতিক্ৰমী কাৰ্যসূচীৰ বিষয়ে আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে। শ্ৰী মালাকাৰে ২০০৮ চনৰ পৰা হয়গ্ৰীৱ মাধৱ মন্দিৰৰ বিষ্ণু পুষ্কৰত কাছৰ কণী বৈজ্ঞানিক পদ্ধতিৰে প্ৰজনন কৰি বৰ্তমানলৈকে এহেজাৰৰ অধিক কাছৰ পোৱালি পবিতৰা, মানাহ আৰু কাজিৰঙা অভয়াৰণ্যৰ উপৰি অসম ৰাজ্যিক চিৰিয়াখানালৈ প্ৰেৰণ কৰিছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

ooooo

গুৱাহাটীৰ ভৰলুমুখত পাইপলাইনৰ স্থানান্তৰ কৰণৰ বাবে কাইলৈ আৰু পৰহিলৈ মহানগৰীৰ আৰ কে চৌধুৰী পথ আৰু শান্তিপুৰ এলেকাত পানী যোগান ব্যাহত হ'ব। লোকনিৰ্মাণ বিভাগে কাইলৈৰ পৰা পাইপলাইনৰ স্থানান্তৰণৰ কাম আৰম্ভ কৰিব। এই সন্দৰ্ভত গুৱাহাটী পৌৰ নিগমে এখন জাননী জাৰি কৰিছে। এই অনুসৰি ৪৮ ঘণ্টাৰ ভিতৰত সমগ্ৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব বুলি পৌৰ নিগমে আশা প্ৰকাশ কৰিছে।

ooooo

ভাৰতীয় সেনাবাহিনীৰ সাহসিকতাক সন্মান জনাই আজি শোণিতপুৰ জিলাত ত্ৰিৰংগ যাত্ৰা আয়োজন কৰা হয়। এই যাত্ৰাত বৰচলা সমষ্টিৰ বিধায়ক গণেশ লিম্বু, তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভা, ৰঙাপাৰাৰ বিধায়ক কৃষ্ণকমল তাঁতী, বিজেপি জিলাৰ সভানেত্ৰী  আদিৰ লগতে ভালসংখ্যক লোকে অংশগ্ৰহণ কৰে।

তামুলপুৰ জিলাতো আজি সচেতন নাগৰিক মঞ্চৰ উদ্যোগত আৰু জিলা বিজেপিৰ সহযোগত ৰাজপথত ত্ৰিৰংগ যাত্ৰা অনুষ্ঠিত হয়। এই উদ্দেশ্যে তামুলপুৰৰ ঘগ্ৰা চকৰ পৰা গোৰেশ্বৰ চকলৈ প্ৰায় পাঁচ শহস্ৰাধিক লোকে হাতে হাতে ত্ৰিৰংগ লৈ দেশপ্ৰেমমূলক গীতেৰে তামুলপুৰৰ আকাশ-বতাহ মুখৰ কৰে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সংবাদ মাধ্যমৰ ভূমিকা শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰিব। ইয়াত ভাগ ল'ব বিশিষ্ট গৱেষক, তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° চন্দন শৰ্মা আৰু সংবাদ মাধ্যম বিশেষজ্ঞ ৰামন বৰাই। অনুষ্ঠানটিৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০

তিনিচুকীয়া জিলাৰ ডুমডুমাৰ কাকজানত আজি তিনিচুকীয়া আৰক্ষীৰ বিশেষ অভিযানকাৰী দলে ড্ৰাগছসহ এগৰাকী মহিলাক আটক কৰে। মহিলাগৰাকী ড্ৰাগ ব্যৱসায়ী মনোজ হাজৰিকাৰ পত্নী মাইনু হাজৰিকা বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষীয়ে ফিলোবাৰী আৰক্ষী থানাৰ অন্তৰ্গত দুই নম্বৰ কাকজান গাঁৱত ড্ৰাগছ বিৰোধী বিশেষ অভিযান চলাই মহিলাগৰাকীৰ পৰা ছয় কেজি  ৪৩ গ্ৰাম সন্দেহযুক্ত ড্ৰাগছ জব্দ কৰে।

০০০০০

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ প্ৰাৰম্ভিক পৰীক্ষা অহা ২৫ মে'ত অনুষ্ঠিত হ'ব। দেশৰ বিভিন্ন কেন্দ্ৰৰ লগতে গুৱাহাটীৰ মুঠ ২৬ টা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হ'ব। গুৱাহাটীৰ পৰীক্ষা কেন্দ্ৰসমূহত মুঠ ১০ হাজাৰ ৫৮৭ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত আৰক্ষীয়ে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত কেতবোৰ নীতি নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি পৰীক্ষাকেন্দ্ৰৰ এশ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত পৰীক্ষাৰ্থী, পৰীক্ষা পৰিচালনাৰ সৈতে জড়িত বিষয়া, আৰক্ষী, আৰু চৰকাৰ অথবা জিলা আয়ুক্তৰ কৰ্তৃত্বপ্ৰাপ্ত লোকৰ বাহিৰে আন লোকৰ  প্ৰৱেশ নিষিদ্ধ কৰা হৈছে।

০০০০০

শোণিতপুৰ জিলাৰ মিছামাৰী কৃষি চক্ৰৰ অন্তৰ্গত পাভমাৰী আৰু শলমাৰী গাওঁত বৰো ধানৰ খেতি ধানৰ পৰিৱৰ্তে পতান ওলোৱাক লৈ কৃষক ৰাইজে উদ্বেগ প্ৰকাশ কৰিছে। ইতিমধ্যে কৃষকৰ অভিযোগৰ ভিত্তিত জিলা কৃষি বিভাগে কৃষি বিজ্ঞান কেন্দ্ৰৰ সহযোগত চৰজমীন তদন্ত আৰম্ভ কৰিছে। জিলা কৃষি বিষয়া নৰেন চন্দ্ৰ শৰ্মাৰ নেতৃত্বত এটা বিভাগীয় দলে আজি খেতি পথাৰ পৰ্যবেক্ষণ কৰি কৃষকসকলৰ সৈতে মত বিনিময় কৰে। প্ৰাৰম্ভিক তথ্যত দলটোৱে কিছুসংখ্যক কৃষকে অনুমোদিত বীজ ব্যৱহাৰৰ পৰিৱৰ্তে পশ্চিমবংগৰ পৰা বিভিন্ন জাতৰ ধানৰ বীজ ক্ৰয় কৰি খেতি কৰিছিল। এই খেতিত সঠিক পৰিমাণৰ সাৰ ব্যৱহাৰ নকৰাৰ ফলতেই প্ৰায় ৪০ বিঘা মাটিত ধানৰ সলনি পতান ওলাব পাৰে বুলি বিভাগীয় দলটোৱে প্ৰকাশ কৰিছে। জিলা কৃষি বিভাগে এই ধানৰ নমুনা সংগ্ৰহ কৰি বৈজ্ঞানিক অধ্যয়নৰ বাবে কৃষি বিজ্ঞান কেন্দ্ৰলৈ প্ৰেৰণ কৰিছে।

০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। পূৰ্বে বেংগালুৰুত হ'বলগীয়া খেলখন ধাৰাষাৰ বৰষুণৰ বাবে অন্তিম মুহূৰ্তত একানা ষ্টেডিয়ামলৈ স্থানান্তৰ কৰা হয়।

০০০০০

তিৱা সাহিত্য সভাৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি ৰত্নেশ্বৰ বৰদলৈৰ আজি দেহাৱসান ঘটে। মৰিগাঁও জিলাৰ নিজ তেতেলীয়াত জন্মগ্ৰহণ কৰা ৰত্নেশ্বৰ বৰদলৈ তিৱা সাহিত্য সভাৰ উপৰি তিৱা সংস্কৃতি আৰু লোক পৰিৱেশ্য কলা, তেতেলীয়াৰ উষা বৰত উৎসৱ আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬২ বছৰ।

০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃ